Acc.No: 48

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# ‘নেওচিব লাগিব নতুন শিক্ষানীতিৰ প্ৰত্যাহ্বান’

**বিমল শৰ্মা, ৰামপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** ‘নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰক্ৰিয়া ইতিমধ্যে ৰাজ্যখনত আৰম্ভ হৈছে। প্ৰাথমিক স্তৰৰ পৰা মহাবিদ্যালয়-বিশ্ববিদ্যালয়পৰ্যন্ত নতুন শিক্ষানীতিক সফলতাৰে আগবঢ়াই নিয়াৰ বাবে শিক্ষা বিভাগে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছেই। আগন্তুক এটা দশকৰ ভিতৰত সকলো প্ৰত্যাহ্বান নেওচি শিক্ষা বিভাগে নতুন শিক্ষানীতিৰ পূৰ্ণতা প্ৰদান কৰিবলৈ প্ৰস্তুত। গতিকে মহাবিদ্যালয়সমূহক ১০ পৃষ্ঠাত

## দঃ কামৰূপ ছোৱালী কলেজত সংগ্ৰহালয় গৃহ মুকলি অনুষ্ঠানত ড° ননী গোপাল মহন্ত



## ‘কংগ্ৰেছৰ দিনতে ৰোপণ দুৰ্নীতি-দালালৰাজৰ বীজ’

**বিশেষ বাৰ্তা, নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ শক্তি আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি নগাঁৱত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ১০ পৃষ্ঠাত

**নগাঁৱত আঁচনি ৰূপায়ণৰ বুজ ল'লে শক্তিমন্ত্ৰীয়ে**

## ‘নেওচিব লাগিব নতুন শিক্ষানীতিৰ প্ৰত্যাহ্বান’

স্বায়ত্ত শাসনৰ পৰ্যায়ৰ কৰি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজকে প্ৰস্তুত কৰিবলৈ এতিয়াৰে পৰা নিজকে সাজু কৰি তুলিব লাগিব।’ মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়টোৰ নৱনিৰ্মিত ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰি অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা অধ্যাপক ড° ননী গোপাল মহন্তই এনেদৰে মন্তব্য কৰে। ড° মহন্তই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সবল নেতৃত্বত মহাবিদ্যালয়খনত সংগ্ৰহালয় স্থাপনক ভূয়সী প্ৰশংসা কৰে। ১৯৯৫ চনতে প্ৰতিষ্ঠা লাভ কৰি অস্থায়ী গৃহত চলি থকা সংগ্ৰহালয়টোৰ নৱনিৰ্মিত ভৱনটোৰ উদ্বোধক হিচাপে উপস্থিত থাকিবলৈ পাই তেওঁ ধন্য হোৱা বুলিও ভাষণত উল্লেখ কৰে ড° মহন্তই। সভাখনত সভাপতিত্ব কৰি আদৰণী ভাষণত অধ্যক্ষ তথা ইতিহাসবিদ ড° অধিকাৰীয়ে তেওঁৰ প্ৰায় এঘাৰ বছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশত কৰা কামবোৰৰ এক খতিয়ান দাঙি ধৰে। দক্ষিণ কামৰূপৰ বিভিন্ন সমাজহিতৈষী, ৰাজনৈতিক কৰ্মী, ছাত্ৰ সংগঠনৰ কৰ্মী, সাহিত্য তথা সাংস্কৃতিক কৰ্মীৰ ঐকান্তিক প্ৰচেষ্টা আৰু সহযোগিতাত ছোৱালী মহাবিদ্যালয়খন যে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে সেয়া তেওঁ কৃতজ্ঞতাৰে উল্লেখ কৰে। মিৰ্জা অঞ্চলৰ প্ৰতিজন মানুহৰ যে এই মহাবিদ্যালয়খন স্থাপনত সহযোগিতা আছিল সেয়াও তেওঁ উল্লেখ কৰে। উল্লেখ্য যে অতি কম সময়ৰ ভিতৰতে ঘাটি মঞ্জুৰিপ্ৰাপ্ত মহাবিদ্যালয়খনত ১৯৮৮ চনৰ পৰাই কৰ্মৰত কিছুসংখ্যক কৰ্মচাৰীয়ে এতিয়াও প্ৰাদেশিকীকৰণৰ আওতালৈ নহাত অধ্যক্ষৰ নেতৃত্বত অনুভৱী শিক্ষক-কৰ্মচাৰীৰ উদ্যোগত তেওঁলোকলৈ কিছু হ'লেও আৰ্থিক সাহায্য আগবঢ়াই আৰ্থিক নিৰাপত্তা দিবলৈ যত্ন কৰাটো অন্যতম বিৰল নিদৰ্শন হৈ ৰৈছে। সভাখনত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ড° ৰাই এছ উংলেণ্টন আৰু হাউছফেডৰ সঞ্চালক দিব্যজ্যোতি বৰকটকীও উপস্থিত আছিল। আজিৰ এই অনুষ্ঠানতেই ‘মিউজিয়াম বুলেটিন (৪ৰ্থ খণ্ড), বাৰ্ষিক মুখপত্ৰ ‘সুদক্ষিণা’, ‘স্বাধীনতাৰ বৰ্ণালী’কে ধৰি চাৰিখনকৈ গ্ৰন্থও উন্মোচন কৰা হয়। সভাখনৰ আঁত ধৰে জ্যেষ্ঠ অধ্যাপক ড° জগন্নাথ বৰ্মনে আৰু শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ ড° ৰঞ্জন ভূএগ্ৰাই। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰীসকলে মহাবিদ্যালয় সংগীত আৰু বৰহেৰামদো সত্ৰৰ বৈষ্ণৱবৃন্দই মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ বিৰচিত এটা বৰগীত পৰিৱেশন কৰে।

NIYOMIYA BARTA = 30 - September = 2021 . P = 3
নিয়মীয়া বাৰ্তা = ৩০ ছেপ্তেম্বৰ = ২০২১ . পৃ: ৩

Acc.No: 49

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱনিৰ্মিত সংগ্ৰহালয় মুকলি ড° ননীগোপাল মহন্তৰ

# অসমৰ শিক্ষাখণ্ডলৈ শীঘ্ৰে আহিব হিমালয়সদৃশ এক প্ৰত্যাহ্বান

**আমাৰ খবৰ, পলাশবাৰী, ২৯ ছেপ্টেম্বৰ** : অসমৰ শিক্ষা খণ্ডলৈ শীঘ্ৰে হিমালয়সদৃশ এক প্ৰত্যাহ্বান আহিব। ৰাজ্যৰ প্ৰায় ভাগ মহাবিদ্যালয়ক স্বায়ত্তশাসিত মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ উচ্চস্তৰীয় পৰ্যালোচনা আৰম্ভ হৈছে। আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্তই। তেওঁ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰক্ৰিয়া ইতিমধ্যে ৰাজ্যখনত আৰম্ভ হৈছে বুলি উল্লেখ কৰি প্ৰাথমিক স্তৰৰ পৰা মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যন্ত নতুন শিক্ষা নীতিক সফলতাৰে আগবঢ়াই নিয়াৰ বাবে শিক্ষা বিভাগে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা বুলি কয়। আগন্তুক এটা দশকৰ ভিতৰত সকলো প্ৰত্যাহ্বান নেওচি শিক্ষা বিভাগে নতুন শিক্ষানীতিৰ পূৰ্ণতা প্ৰদান কৰিবলৈ প্ৰস্তুত। গতিকে মহাবিদ্যালয়সমূহক স্বায়ত্ব শাসনৰ পৰ্যায়ৰ কৰি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজকে প্ৰস্তুত কৰিবলৈ এতিয়াৰে পৰা সাজু কৰিব লাগিব বুলিও দোহাৰে। মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত সংগ্ৰহালয়টোৰ নৱনিৰ্মিত ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰি অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্তই মহাবিদ্যালয়খনৰ বিজ্ঞান বিভাগৰ অপূৰ্ণ হৈ থকা কামখিনি শীঘ্ৰে কৰি দিয়াৰ আশ্বাস দিয়ে। ড° মহন্তই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সবল নেতৃত্বত মহাবিদ্যালয়খনত সংগ্ৰহালয় স্থাপনক ভূয়সী প্ৰশংসা কৰি সংহত অনুপ্ৰেৰণাৰে অধ্যক্ষ ড° অধিকাৰীয়ে মহাবিদ্যালয়খনত যি বুনিয়াদ গঢ়িলে, এয়া অসমৰ মহাবিদ্যালয় ইতিহাসত বিৰল বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ১৯৯৫ চনতে প্ৰতিষ্ঠা লাভ কৰি অস্থায়ীগৃহত চলি থকা সংগ্ৰহালয়টোৰ উদ্বোধক হিচাপে উপস্থিত থাকিবলৈ পাই তেওঁ ধন্য হোৱা বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে। নিজৰ সভাপতিত্বত হোৱা সভাখনত আদৰণী ভাষণ দি অধ্যক্ষ তথা ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰীয়ে তেওঁৰ প্ৰায় এঘাৰ বছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশত কৰা কামবোৰৰ এক খতিয়ান দাঙি ধৰে। দক্ষিণ কামৰূপৰ বিভিন্ন সমাজহিতৈষী, ৰাজনৈতিক কৰ্মী, ছাত্ৰ সংগঠনৰ কৰ্মী, সাহিত্য তথা সাংস্কৃতিক কৰ্মীৰ ঐকান্তিক প্ৰচেষ্টা আৰু সহযোগিতাত ছোৱালী মহাবিদ্যালয়খন যে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে সেয়া কৃতজ্ঞতাৰে উল্লেখ কৰে। প্ৰতিষ্ঠাৰ মাত্ৰ আঠ বছৰতে ঘাটি মঞ্জুৰিপ্ৰাপ্ত মহাবিদ্যালয়খনত ১৯৮৮ চনৰ পৰাই কৰ্মৰত কিছুসংখ্যক কৰ্মচাৰীয়ে এতিয়াও প্ৰাদেশিকীকৰণৰ আওতালৈ নহাত অধ্যক্ষৰ নেতৃত্বত অনুভৱী শিক্ষক-কৰ্মচাৰীৰ উদ্যোগত তেওঁলোকলৈ কিছু হ'লেও আৰ্থিক সাহায্য আগবঢ়াই আৰ্থিক নিৰাপত্তা দিবলৈ যত্ন কৰাটো অন্যতম বিৰল নিদৰ্শন হিচাপে প্ৰশংসিত হৈছে। সভাখনত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ড° ৰাই এছ উংলেণ্টন আৰু হাউছফেডৰ পৰিচালন সঞ্চালক দিব্যজ্যোতি বৰকটকীও উপস্থিত আছিল। আজিৰ এই অনুষ্ঠানতেই 'মিউজিয়াম বুলেটিন (চতুৰ্থখণ্ড), বাৰ্ষিক মুখপাত্ৰ 'সুদক্ষিণা', 'স্বাধীনতাৰ বৰ্ণালী'কে ধৰি চাৰিখনকৈ গ্ৰন্থও উন্মোচন কৰা হয়। সভাখনৰ আঁত ধৰে অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° জগন্নাথ বৰ্মনে আৰু শলাগৰ শৰাই আগবঢ়াই উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই।



কৌৰৱ দত্তৰ হৈ সঞ্চালক স্মৃতালিনা দাসৰ দ্বাৰা পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ আৰু পি জি (ইণ্ডিয়া) লিমিটেড, পুলিবৰ, যোৰহাট-৬ত প্ৰকাশিত আৰু মুদ্ৰিত e-mail :khabardesk@gmail.com, khabar_assam@

ASOMIYA KHABAR = 30 - September - 2021. P = 12

অসমীয়া খবৰ = ৩০ - চেপ্তেম্বৰ - ২০২১. পৃ:-১২


Acc.No: 50

Dakshin Kamrup Girls' College Library
Estd. 1988

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ৰ দ্বাৰ মুকলি

নিজা বাতৰি দিওঁতা

পলাশবাৰী, ৩০ ছেপ্টেম্বৰ ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নব নিৰ্মিত সংগ্ৰহালয়ৰ কালি দ্বাৰ মুকলি কৰে অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা অধ্যাপক ডঃ ননী গোপাল মহন্তই। দ্বাৰ মুকলিৰ পিছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ গজেন্দ্ৰ অধিকাৰীৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা অধ্যাপক মহন্তই ভাষণ প্ৰাসঙ্গত কয় যে এই সংগ্ৰহালয়ৰ ভৱিষ্যতে দক্ষিণ কামৰূপৰ মেটমৰা আপুৰুগীয়া সম্পদসমূহ সংৰক্ষণৰ সহায়ক হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে হেৰাই যাবলৈ উপক্ৰম হোৱা সম্পদ সমূহৰ লগত পৰিচয় হৈ জ্ঞান লাভ কৰিব পাৰিব। মহন্তই লগতে সমবেত শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষা নীতিৰ সফল ৰূপায়ণত আত্ম নিয়োগ কৰি অসমৰ শৈক্ষিক জগতখনক পৰিৱৰ্তিত সময়ত বিশ্বৰ সম পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ সৈতে ফেৰ মাৰিবলৈ অসমৰ শিক্ষা ব্যৱস্থাক ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। সভাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ডঃ ৰাই এচ উংলেণ্টনে শ্ৰীমন্ত শংকৰদেৱ আৰু অসমৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ হকে আগবঢ়োৱা অৱদানৰ বিষয়ে তথ্য সমৃদ্ধ ভাষণ প্ৰদান কৰে। ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিমান হাজৰিকাই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ অধিকাৰীয়ে মহাবিদ্যালয়খনৰ প্ৰতি আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰশংসা কৰে।



DAINIK ASAM = 1st october = 2021 . P = 8
দৈনিক অসম = ১ অক্টোবৰ = ২০২১ . পৃঃ=৮

Acc.No: 50

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱনির্মিত সংগ্ৰহালয় মুকলি ড° ননীগোপাল মহন্তৰ

# অসমৰ শিক্ষাখণ্ডলৈ শীঘ্ৰে আহিব হিমালয়সদৃশ এক প্ৰত্যাহ্বান

আমাৰ খবৰ, পলাশবাৰী, ২৯ ছেপ্টেম্বৰ ঃ অসমৰ শিক্ষা খণ্ডলৈ শীঘ্ৰে হিমালয়সদৃশ এক প্ৰত্যাহ্বান আহিব। ৰাজ্যৰ প্ৰায় ভাগ মহাবিদ্যালয়ক স্বায়ত্তশাসিত মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ উচ্চস্তৰীয় পৰ্যালোচনা আৰম্ভ হৈছে। আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্তই। তেওঁ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰক্ৰিয়া ইতিমধ্যে ৰাজ্যখনত আৰম্ভ হৈছে বুলি উল্লেখ কৰি প্ৰাথমিক স্তৰৰ পৰা মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যন্ত নতুন শিক্ষা নীতিক সফলতাৰে আগবঢ়াই নিয়াৰ বাবে শিক্ষা বিভাগে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা বুলি কয়। আগন্তুক এটা দশকৰ ভিতৰত সকলো প্ৰত্যাহ্বান নেওচি শিক্ষা বিভাগে নতুন শিক্ষানীতিৰ পূৰ্ণতা প্ৰদান কৰিবলৈ প্ৰস্তুত। গতিকে মহাবিদ্যালয়সমূহক স্বায়ত্ব শাসনৰ পৰ্যায়ৰ কৰি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজকে প্ৰস্তুত কৰিবলৈ এতিয়াৰে পৰা সাজু কৰিব লাগিব বুলিও দোহাৰে। মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত সংগ্ৰহালয়টোৰ নৱনির্মিত ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰি অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্তই মহাবিদ্যালয়খনৰ বিজ্ঞান বিভাগৰ অপূৰ্ণ হৈ থকা কামখিনি শীঘ্ৰে কৰি দিয়াৰ আশ্বাস দিয়ে। ড° মহন্তই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সবল নেতৃত্বত মহাবিদ্যালয়খনত সংগ্ৰহালয় স্থাপনক ভূয়সী প্ৰশংসা কৰি সংহত অনুপ্ৰেৰণাৰে অধ্যক্ষ ড° অধিকাৰীয়ে মহাবিদ্যালয়খনত যি বুনিয়াদ গঢ়িলে, এয়া অসমৰ মহাবিদ্যালয় ইতিহাসত বিৰল বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ১৯৯৫ চনতে প্ৰতিষ্ঠা লাভ কৰি অস্থায়ীগৃহত চলি থকা সংগ্ৰহালয়টোৰ উদ্বোধক হিচাপে উপস্থিত থাকিবলৈ পাই তেওঁ ধন্য হোৱা বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে। নিজৰ সভাপতিত্বত হোৱা সভাখনত আদৰণী ভাষণ দি অধ্যক্ষ তথা ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰীয়ে তেওঁৰ প্ৰায় এঘাৰ বছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশত কৰা কামবোৰৰ এক খতিয়ান দাঙি ধৰে। দক্ষিণ কামৰূপৰ বিভিন্ন সমাজহিতৈষী, ৰাজনৈতিক কৰ্মী, ছাত্ৰ সংগঠনৰ কৰ্মী, সাহিত্য তথা সাংস্কৃতিক কৰ্মীৰ ঐকান্তিক প্ৰচেষ্টা আৰু সহযোগিতাত ছোৱালী মহাবিদ্যালয়খন যে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে সেয়া কৃতজ্ঞতাৰে উল্লেখ কৰে। প্ৰতিষ্ঠাৰ মাত্ৰ আঠ বছৰতে ঘাটি মঞ্জুৰিপ্ৰাপ্ত মহাবিদ্যালয়খনত ১৯৮৮ চনৰ পৰাই কৰ্মৰত কিছুসংখ্যক কৰ্মচাৰীয়ে এতিয়াও প্ৰাদেশিকীকৰণৰ আওতালৈ নহাত অধ্যক্ষৰ নেতৃত্বত অনুভৱী শিক্ষক-কৰ্মচাৰীৰ উদ্যোগত তেওঁলোকলৈ কিছু হ'লেও আৰ্থিক সাহায্য আগবঢ়াই আৰ্থিক নিৰাপত্তা দিবলৈ যত্ন কৰাটো অন্যতম বিৰল নিদৰ্শন হিচাপে প্ৰশংসিত হৈছে। সভাখনত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ড° ৰাই এছ উংলেণ্টন আৰু হাউছফেডৰ পৰিচালন সঞ্চালক দিব্যজ্যোতি বৰকটকীও উপস্থিত আছিল। আজিৰ এই অনুষ্ঠানতেই 'মিউজিয়াম বুলেটিন (চতুৰ্থখণ্ড), বাৰ্ষিক মুখপাত্ৰ 'সুদক্ষিণা', 'স্বাধীনতাৰ বৰ্ণালী'কে ধৰি চাৰিখনকৈ গ্ৰন্থও উন্মোচন কৰা হয়। সভাখনৰ আঁত ধৰে অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° জগন্নাথ বৰ্মনে আৰু শলাগৰ শৰাই আগবঢ়াই উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই।



কোঁৱৰ দত্তৰ হৈ সঞ্চালক স্মৃতালিনা দাসৰ দ্বাৰা পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ আৰু পি জি (ইণ্ডিয়া) লিমিটেড, পুলিবৰ, যোৰহাট-৬ত প্ৰকাশিত আৰু মুদ্ৰিত e-mail :khabardesk@gmail.com, khabar_assam@

ASOMIYA KHABAR = 30-September-2021. P=12

অসমীয়া খবৰ = ৩০ - ছেপ্তেম্বৰ - ২০২১. পৃ:-১২

Acc.No: 49

Dakshin Kamrup Girls' College Library
Estd. 1988

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ৰ দ্বাৰ মুকলি



নিজা বাতৰি দিওঁতা

**পলাশবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নৱ নিৰ্মিত সংগ্ৰহালয়ৰ কালি দ্বাৰ মুকলি কৰে অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা অধ্যাপক ডঃ ননী গোপাল মহন্তই। দ্বাৰ মুকলিৰ পিছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা অধ্যাপক মহন্তই ভাষণ প্ৰাসঙ্গত কয় যে এই সংগ্ৰহালয়ৰ জৰিয়তে দক্ষিণ কামৰূপৰ মেটমৰা আপুৰুগীয়া সম্পদসমূহ সংৰক্ষণৰ সহায়ক হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে হেৰাই যাবলৈ উপক্ৰম হোৱা সম্পদ সমূহৰ লগত পৰিচয় হৈ জ্ঞান লাভ কৰিব পাৰিব। মহন্তই লগতে সমবেত শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষা নীতিৰ সফল ৰূপায়ণত আত্ম নিয়োগ কৰি অসমৰ শৈক্ষিক জগতখনক পৰিৱৰ্তিত সময়ত বিশ্বৰ সম পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ সৈতে ফেৰ মাৰিবলৈ অসমৰ শিক্ষা ব্যৱস্থাক ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। সভাত অসম ৰজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ডঃ ৰাই এচ উংলেণ্টনে শ্ৰীমন্ত শংকৰদেৱ আৰু অসমৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ হকে আগবঢ়োৱা অৱদানৰ বিষয়ে তথ্য সমৃদ্ধ ভাষণ প্ৰদান কৰে। ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিমান হাজৰিকাই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ অধিকাৰীয়ে মহাবিদ্যালয়খনৰ প্ৰতি আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰশংসা কৰে।

DAINIK ASAM = 1st october = 2021. P = 8

দৈনিক অসম = ১ অক্টোবৰ = ২০২১. পৃঃ = ৮